৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

১৩ ভাদ, ১৯৪৭ শক ■ শনিবাৰ, ৩০ আগষ্ট, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, August 30, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

## কানৈত ছাত্ৰ-ছাত্ৰীৰে মত-বিনিময় কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, ২৯ আগষ্ট ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ নৃতত্ত্ব বিভাগ আৰু পৰিসংখ্যা বিভাগৰ যৌথ উদ্যোগত আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক মত-বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুনন্দা চাহুৰ তত্ত্বাৱধানত অনুষ্ঠিত কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰদান কৰে। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয় যে আমি জীৱনত সকলোবোৰ কাম ধনাত্মক দিশত গ্ৰহণ কৰিব লাগে। ঋণাত্মক কথাৰ পৰা নিজকে আঁতৰাই আনি আমি আগুৱাই যাব লাগে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° দেব পল্লৱ ৰাজখোৱাই শ্বেপিং ডেষ্টিনি ঃ ডু'ছ এণ্ড ডন'টছ শীৰ্ষক বিষয়ৰ ওপৰত এক মননশীল ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত ড° ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ শৈক্ষিক জীৱনৰ লগতে ব্যক্তিগত জীৱনত অনুশাসন, অধ্যৱসায় আৰু ইতিবাচক সিদ্ধান্ত গ্ৰহণৰ ওপৰত গুৰুত্ব দিবলৈ উৎসাহিত কৰে। ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তি গৰাকীৰ



লগত বিভিন্ন প্ৰশ্নৰ মাধ্যমেৰে এক মত-বিনিময় কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, পৰিসংখ্যা বিভাগৰ মুৰব্বী ড° নাজিমুদ্দিন আহমেদ, নৃতত্ত্ব বিভাগৰ সহযোগী অধ্যাপিকা ড° মৰমী তালুকদাৰৰ লগতে দুয়োটা বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে সমল ব্যক্তি ড° ৰাজখোৱাক দুয়োটা বিভাগৰ তৰফৰ পৰা প্ৰশংসা-পত্ৰ, গামোচা আৰু কিতাপৰ টোপোলাৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে নৃতত্ত্ব বিভাগৰ অধ্যাপক সুৰজ হাজৰিকাই।

## মৰণফান্দত পৰিণত

কুমাৰণাচগালেকে ঢেম্প ত
খোজেৰে আহি থকা অ
অঞ্চলত এএছ-০৬জে
পঞ্জীয়নকৃত এখন এনট'ক

ছেফটি অ

## এছিয়

## বন্ধৰ

**বিশেষ প্ৰতিনিধি, দুলীয়াজা** আহোম যুব-পৰিষদে অইল কৰ্মৰত ঠিকা প্ৰতিষ্ঠান নাহৰকটীয়াৰ বাহধাৰীত চ বৰ্কঅভাৰ ৰিগৰ বন্ধ কাৰ্য এক প্ৰেছ বিবৃতিযোগে স দিয়ে যে যোৱা ৩ আগষ্ট কৰ্মৰত অৱস্থাত মৃত পাই এজন যুবকৰ থিতাতে মৃত্যু নাহৰকটীয়া মহকুমা সমি সহযোগত প্ৰয়াত কিৰণ গ ক্ষতিপূৰণ দিয়াৰ লগতে প সংস্থাপন আৰু অইলৰ